# 19th Summit of SCO Council of Heads of Government to be held on 30 November 2020 in video-conference format

November 28, 2020

# এছ চি অ' পৰিষদৰ চৰকাৰী প্ৰমুখৰ 19তম সন্মিলন 30 নৱেম্বৰ 2020 তাৰিখে অনুষ্ঠিত হ'ব ভিডিঅ'-কনফাৰেন্স যোগেদি

নৱেম্বৰ 28, 2020

1. ভাৰতৰ মহামান্য উপ-ৰাষ্ট্ৰপতি শ্ৰী ভেনকাইচ নাইডোয়ে এছ চি অ' পৰিষদৰ চৰকাৰী প্ৰমুখৰ 19তম সন্মিলনৰ সভাপতিত্ব কৰিব যি ভাৰতে ভাৰচ্যুৱেল ধৰণে অনুষ্ঠিত কৰিব 30 নৱেম্বৰ 2020 তাৰিখে। এয়া প্ৰথম বাৰ যেতিয়া এক সন্মিলন-স্তৰৰ বৈঠক ভাৰতৰ সভাপতিত্বত অনুষ্ঠিত হ'ব, ভাৰতে 2017 চনত সম্পূৰ্ণ সদস্যপদ অৰ্জন কৰাৰ পিছত। এই সন্মিলন বাৰ্ষিকভাৱে এছ চি অ'ৰ প্ৰধান মন্ত্ৰীৰ স্তৰত অনুষ্ঠিত কৰা হয় আৰু প্ৰমুখভাৱে সংগঠনটোৰ বাণিজ্য আৰু আৰ্থিক বিষয়ৰ ওপৰত গুৰুত্ব দিয়ে।

2. ভাৰতে চাংহাই কপাৰেশ্বন অৰগেনাইজেশ্বনক (এছ চি অ') এক গুৰুত্বপূৰ্ণ আঞ্চলিক সংগঠন বুলি গণ্য কৰে শান্তি, সুৰক্ষা, বাণিজ্য, অৰ্থনীতি আৰু সংস্কৃতিৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ বাবে। ভাৰতে এছ চি অ'-ৰ সৈতে আমাৰ সগযোগিতা বৃদ্ধি কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ সংগঠনটোত এক সক্ৰিয়, ইতিবাচক আৰু গঠনমূলক ভূমিকা লৈ।

3. ভাৰতে চৰকাৰী প্ৰমুখৰ এছ চি অ' পৰিষদৰ সভাপতিত্ব গ্ৰহণ কৰে 2 নৱেম্বৰ 2019 পূৰ্ববৰ্তী সভাপতি - উজবেকিস্তানৰ আৱৰ্তনৰ যোগে আৰু 30 নৱেম্বৰ 2020 তাৰিখে নিজৰ বছৰ যোৰা সময় সম্পন্ন কৰিব 19তম এছ চি অ' চৰকাৰী প্ৰমুখৰ পৰিষদৰ বৈঠক (চি এইছ জি) অনুষ্ঠিত কৰি।

4. ৰুছ, চীন, কাজাখিষ্টান, কিৰ্গিষ্টান, তাজিকিস্তান আৰু উজবেকিস্তান এছ চি অ' সদস্য ৰাষ্ট্ৰৰ প্ৰধান মন্ত্ৰীসকলে 30 নৱেম্বৰ তাৰিখে এই এছ চি অ' বৈঠকত অংশগ্ৰহণ কৰিব। পাকিস্তানৰ প্ৰতিনিধিত্ব কৰিব বিদেশ বিষয়কৰ সংসদ সচিবে। এছ চি অ' সদস্য ৰাষ্ট্ৰৰ বাহিৰে, এছ চি অ'ৰ চাৰিখন পৰিদৰ্শন ৰাষ্ট্ৰইও অংশগ্ৰহণ কৰিব, যাৰ ভিতৰত আছে আফগানিস্তানৰ ৰাষ্ট্ৰপতি, ইৰানৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি, বেলাৰুছৰ প্ৰধান মন্ত্ৰী আৰু মংগোলিয়াৰ উপ-প্ৰধান মন্ত্ৰী। তুৰ্কমিনিষ্টানক গৃহস্থৰ এক বিশেষ অতিথি হিচাপে নিমন্ত্ৰণ দিয়া হৈছে আৰু ইয়াৰ প্ৰতিনিধিত্ব কৰিব মন্ত্ৰী পৰিষদৰ উপ-সভাপতিয়ে। এছ চি অ'ৰ দুটা বিভাগৰ প্ৰতিনিধিত্ব কৰিব এছ চি অ'ৰ মহাসচিব আৰু এছ চি অ' আঞ্চলিক সন্ত্ৰাসবাদ বিৰুদ্ধি গঠনৰ (আৰ এ টি এছ) নিৰ্বাহী পৰিচালকে। এছ চি অ' বাণিজ্যিক পৰিষদ আৰু এছ চি অ' আন্তঃ বেংক সংগঠনৰ সভাপতিও উপস্থিত থাকিব।

5. 2020 চনত এছ চি অ' চৰকাৰী প্ৰমুখৰ পৰিষদৰ সভাপতিত্বত, ভাৰতে প্ৰধানকৈ সহযোগৰ নতুন তিনিটা স্তম্ভ সৃষ্টি কৰাৰ ওপৰত মনোযোগ দিছে: ষ্টাৰ্টআপ আৰু উদ্ভাৱন, বিজ্ঞান আৰু

প্ৰযুক্তি আৰু পৰম্পৰাগত ঔষধ আৰু আন বহুতো পদক্ষেপৰ প্ৰস্তাৱ দিছে। ভাৰতে প্ৰস্তাৱ দিছে ষ্টাৰ্টআপ আৰু উদ্ভাৱনৰ বাবে এক নতুন বিশেষ কাৰ্যকৰি গোট সৃষ্টি আৰু সভাপতিত্বৰ আৰু পৰম্পৰাগত ঔষধত সহযোগৰ বাবে এক নতুন বিশেষজ্ঞ কাৰ্যকৰি গোট স্থাপন কৰাৰ। ভাৰতে ভাৰচ্যুৱেল ধৰণে অনুষ্ঠিত কৰিছে: সৰ্বপ্ৰথম এছ চি অ' যুৱ বৈজ্ঞানিক সন্মিলন (24-28 নৱেম্বৰ) য'ত 200তকৈও অধিক যুৱ বৈজ্ঞানিকে অংশগ্ৰহণ কৰে, সৰ্বপ্ৰথম সন্মিলন এছ চি অ' অৰ্থনৈতিক বিশেষজ্ঞৰ (20-21 আগষ্ট) আৰু সৰ্বপ্ৰথম এছ চি অ' ষ্টাৰ্টআপ বৈঠক (27 অক্টোবৰ)। ব্যৱসায় পৰা ব্যৱসায় ধৰণত, এফ আই চি চি আইয়ে অনুষ্ঠিত কৰে প্ৰথম এছ - ) বাণিজ্যিক বৈঠক 'চি অ23 নৱেম্বৰ) য'ত বিশেষ গুৰুত্ব দিয়া হয় এম এছ এম ই-ৰ মাজৰ সহযোগিতাৰ ওপৰত এছ চি অ' বাণিজ্যিক পৰিষদৰ ৰাষ্ট্ৰীয় বিভাগৰ দ্বাৰা।

6. এই বছৰ, ভাৰতে বাহ্যিক অৰ্থনীতি আৰু বিদেশী বাণিজ্যৰ দায়িত্ব থকা এছ চি অ' মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত কৰে 28 অক্টোবৰত আৰু এছ চি অ' ন্যায় মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত কৰে 16 অক্টোবৰত ভিডিও-কনফাৰেন্স ধৰণে।

7. সাংস্কৃতিক-মানৱীয় ক্ষেত্ৰত, ভাৰতে মহামান্য প্ৰধানমন্ত্ৰীয়ে 2019 চনৰ এছ চি অ' ৰাষ্ট্ৰ প্ৰমুখৰ বিস্কেট বৈঠকৰ ঘোষণা ৰূপায়ন কৰিছে। ইয়াৰ ভিতৰত আছে: ৰাষ্ট্ৰীয় সংগহালয়ে অনুষ্ঠিত কৰিব লগীয়া সৰ্বপ্ৰথম এছ চি অ' ডিজিটেল প্ৰদৰ্শনী পাৰস্পৰিক বৌদ্ধ সংস্কৃতিৰ ওপৰত যি 30 নৱেম্বৰত উদ্বোধন কৰা হ'ব আৰু ৰুছ আৰু চীন ভাষালৈ ভাৰতীয় আঞ্চলিক সাহিত্যৰ 10খন গ্ৰন্থৰ অনুবাদ। ভাৰতে 2021 চনৰ এছ চি অ' খাদ্য প্ৰদৰ্শনীও অনুষ্ঠিত কৰিব।

8. 30 নৱেম্বৰত এছ চি অ' চৰকাৰী প্ৰমুখৰ পৰিষদৰ 19তম বৈঠকৰ সভাপতিত্ব কৰি, ভাৰতে আশা কৰিছে এছ চি অ'ৰ মাজত বাণিজ্য, অৰ্থনীতি আৰু সাংস্কৃতিক সহযোগিতা শক্তিশালী কৰাৰ এছ চি অ কাৰ্যৰ কেন্দ্ৰত মানুহ দি আৰু অঞ্চলটোত অধিক শান্তি আৰু প্ৰাচুৰ্য্য প্ৰতিপালন কৰিব। আমি আশা কৰোঁ যে ভাৰতৰ পদক্ষেপবোৰে কেৱল এছ চি অ' সদস্য ৰাষ্ট্ৰৰ বাবেই সহায়ক নহয় কোভিড-19 মহামাৰীয়ে উস্থাপন কৰা আৰ্থিক প্ৰত্যাহ্বানৰ সৈতে যুঁজিবলৈ, কিন্তু ই সংগঠনটোৰ প্ৰতি আমাৰ অব্যাহত প্ৰতিশ্ৰুতিৰ এক চিহ্ন দিব।

9. 30 নৱেম্বৰৰ বৈঠকৰ অন্ত পৰিব ভাৰতৰ মহামান্য উপ-ৰাষ্ট্ৰপতিৰ সভাপতিত্বৰ অধীনত যুটীয়া প্ৰজ্ঞাপনৰ অৱলম্বনৰ সৈতে।

**নতুন দিল্লী**
**নৱেম্বৰ 28, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.